ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# কৰ্মৰত সাংবাদিক (মজুৰিৰ হাৰ স্থিৰীকৰণ) অধিনিয়ম, ১৯৫৮

(১৯৫৮ ৰ ২৯ নং অধিনিয়ম)

[১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Working Journalists (Fixation of Rates of Wages) Act, 1958

(Act No. 29 of 1958)

[As on the 1st June, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান কৰ্মৰত সাংবাদিক (মজুৰিৰ হাৰ স্হিৰীকৰণ) অধিনিয়ম, ১৯৫৮ (১৯৫৮ৰ ২৯ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৭২ৰ পৰা ৭৮ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

## PREFACE

This edition of the Working Journalists (Fixation of Rates of Wages) Act, 1958 (29 of 1958) as on the 1st June, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI. Section 1, No. 1, Vol. 1 dated 7th September, 1990 on Pages 72 to 78.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 24-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

## কর্মৰত সাংবাদিক (মজুৰিৰ হাৰ স্থিৰীকৰণ) অধিনিয়ম, ১৯৫৮

### ধাৰা সমূহৰ ক্ৰম


ধাৰা সমূহ ——————

১। সংক্ষিপ্ত নাম ।

২। পৰিভাষা ।

৩। সমিতিৰ গঠন ।

৪। সমিতিৰ কৃত্য সমূহ ।

৫। সমিতিৰ ক্ষমতা সমূহ ।

৬। সমিতিখনৰ চুপাৰিছবোৰ বলবৎ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ।

৭। কৰ্মৰত সাংবাদিক সকল আদেশটোত বিনিৰ্দিষ্ট মজুৰিৰ হাৰতকৈ কম নোহোৱা হাৰত মজুৰি পাবলৈ হকদাৰ হব ।

৯। কৰ্মৰত সাংবাদিক সকলৰ প্ৰাপ্যধন আদায় ।

১০। সমিতিখনৰ আদেশ, চিঠি আদি অধিপ্ৰমাণীকৰণ ।

১১। কৰ্মৰত সাংবাদিক সকলৰ ওপৰত অধিনিয়মখনৰ প্ৰভাৱ ।

১২। পদাৰ্ত্তি আদিয়ে সমিতিখনৰ কাৰ্যবাহীবোৰ অবিধিমান্য নকৰিব ।

১২ক । দণ্ড ।

১৩। নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ।

# কৰ্মৰত সাংবাদিক (মজুৰিৰ হাৰ স্থিৰীকৰণ) অধিনিয়ম, ১৯৫৮

(১৯৫৮ চনৰ ২৯ নং অধিনিয়ম)

**(১ জুন, ১৯৯০ তাৰিখে যথাবিদ্যমান)**

[১৯৫৮ চনৰ ১৬ চেপ্তেম্বৰ]

কৰ্মৰত সাংবাদিক সকলৰ সম্বন্ধত মজুৰিৰ হাৰ স্থিৰ কৰিবৰ নিমিত্তে আৰু তৎসম্পৰ্কীয় বিষয়বোৰৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ নৱম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হ'ল।

**সংক্ষিপ্ত নাম।**

১। এই অধিনিয়মখন কৰ্মৰত সাংবাদিক (মজুৰিৰ হাৰ স্থিৰীকৰণ) অধিনিয়ম, ১৯৫৮ নামে অভিহিত হ'ব।

**পৰিভাষা।**

২। প্ৰসংগত অন্যভাৱে আৱশ্যক নহ'লে, এই অধিনিয়মখনত,—

(ক) "সমিতি" মানে ৩ ধাৰামতে গঠন কৰা সমিতিক বুজাব;

(খ) "বিহিত" মানে এই অধিনিয়ম মতে প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত কৰা বুজাব;

(গ) "মজুৰি মণ্ডল" মানে শ্ৰম মন্ত্ৰালয়ৰ যোগেদি ১৯৫৬ চনৰ ২ মে' তাৰিখে ভাৰত চৰকাৰে অধিসূচনা নং এচ্ আৰ্ অ' ১০৭৫ৰ দ্বাৰা কৰ্মৰত সাংবাদিক অধিনিয়ম মতে গঠন কৰা মণ্ডলটোক বুজাব;

(ঘ) "মজুৰি মণ্ডলৰ সিদ্ধান্ত" মানে ১১ মে' ১৯৫৭ৰ ভাৰত ৰাজপত্ৰ অসাধাৰণ, খণ্ড II, ধাৰা ৩ত প্ৰকাশিত মজুৰি মণ্ডলৰ সিদ্ধান্তক বুজাব;

(ঙ) "মজুৰি" মানে ১৯৪৭ চনৰ ঔদ্যোগিক বিবাদ অধিনিয়মখনত নিৰ্ণীত কৰা মজুৰিক বুজাব; ১৯৪৭ চনৰ ১৪

(চ) "কৰ্মৰত সাংবাদিক অধিনিয়ম" বুলিলে কৰ্মৰত সাংবাদিক (সেৱা চৰ্ত) আৰু বিবিধ উপবন্ধ অধিনিয়ম, ১৯৫৫ক বুজাব; ১৯৫৫ চনৰ ৪৫

(ছ) এই অধিনিয়মত ব্যৱহৃত হৈছে কিন্তু পৰিভাষিত হোৱা নাই এনে যিবোৰ শব্দৰ আৰু অভিব্যক্তিৰ অৰ্থ কৰ্মৰত সাংবাদিক অধিনিয়ম খনত দিয়া আছে তেনেবোৰ শব্দৰ আৰু অভিব্যক্তিৰ অৰ্থ সেইখন অধিনিয়মত যিদৰে দিয়া আছে, যথাক্ৰমে তেনেদৰেই হ'ব।

**সমিতিৰ গঠন।**

৩। (১) ১৯৫৮ চনৰ মাৰ্চ মাহৰ ১৯ তাৰিখে 'উচ্চতম ন্যায়ালয়ে' মজুৰি মণ্ডলৰ সিদ্ধান্ত সম্পৰ্কে দিয়া ৰায়ৰ পৰিপ্ৰেক্ষিতত আৰু আন আন সকলোবোৰ প্ৰাসঙ্গিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কৰ্মৰত সাংবাদিকসকলৰ মজুৰিৰ হাৰ স্থিৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক সক্ষম কৰিবৰ উদ্দেশ্যে, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি তলত লিখা ব্যক্তিসকলক লৈ এখন সমিতি গঠন কৰিব, অৰ্থাৎ:—

(i) যুটীয়া সচিবৰ পদমৰ্যাদাৰ তলখাপৰ নোহোৱা এজন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত বিধি মন্ত্ৰালয়ৰ পদাধিকাৰী, যিজন সমিতিৰ সভাপতি হব,

(ii) গৃহ, শ্ৰম আৰু নিয়োগ, তথ্য আৰু অনাতাঁৰ এই তিনিওটা মন্ত্ৰালয়ৰ পদাধিকাৰীসকলৰ মাজৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত তিনিজন ব্যক্তি,

(iii) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা এজন চনদ্ প্ৰাপ্ত হিচাপ পৰীক্ষক (চাৰ্টাৰ্ড একাউণ্টেন্ট্)।

(২) সমিতিখনৰ সভাপতিৰ বা আনকোনো সদস্যৰ পদ কোনো কাৰণে যদি ৰিক্ত (অস্থায়ী অনুপস্থিতিৰ বাবে হোৱা পদৰিক্তি ভিন্ন) হয়, তেন্তে কেন্দ্ৰীয় চৰকাৰে (১) উপধাৰাৰ উপবন্ধ অনুসাৰে আন এজন ব্যক্তিক ৰিক্ত পদটো পূৰ্ণ কৰিবলৈ নিয়োগ কৰিব পাৰে আৰু সমিতিখনত চলি থকা তদন্ত, পদৰিক্তি হোৱাৰ সময়ত যি অৱস্থা পাইছিল সেই অৱস্থাটোৰ পৰা পুনৰ চলি থাকিব পাৰে।

(৩) কেন্দ্ৰীয় চৰকাৰে সমিতিখনত এজন সচিব নিযুক্ত কৰিব পাৰে আৰু তদুপৰি আৱশ্যকমতে সমিতিখনত তেনে আন আন কৰ্মচাৰীৰ ব্যৱস্থা কৰিব পাৰে।

(৪) সমিতিখনে নাইবা সমিতিখনৰ সভাপতিজনে যেনেবোৰ কৃত্য ন্যস্ত বা প্ৰত্যাযোজিত কৰে, সচিবজনে তেনে মন্ত্ৰালয়িক বা আন কোনো ধৰণৰ কৃত্য সমূহ সম্পাদন কৰিব।

**সমিতিৰ কৃত্য সমূহ**

৪। (১) সমিতিখনে যেনে উপযুক্ত বুলি ভাবে তেনে ধৰণৰে প্ৰকাশিত সূচনাৰ দ্বাৰা বাতৰি কাকত প্ৰতিষ্ঠানসমূহক আৰু কৰ্মৰত সাংবাদিক-সকলক আৰু মজুৰি মণ্ডলৰ সিদ্ধান্তত স্বাৰ্থসংশ্লিষ্ট আন আন ব্যক্তিবৰ্গক মজুৰিমণ্ডলৰ সিদ্ধান্ত সম্পৰ্কে আৰু কৰ্মৰত সাংবাদিক সকলৰ ক্ষেত্ৰত এই অধিনিয়মৰ অধীনত নিয়ত কৰিব খোজা মজুৰিৰ হাৰ সম্পৰ্কে তেওঁ-লোকে যেনে উপযুক্ত বুলি ভাবে তেনে অভিবেদন দাখিল কৰিবলৈ দিব।

(২) তেনেকুৱা প্ৰত্যেকখন অভিবেদন লিখিতভাৱে হ'ব লাগিব আৰু সমিতিখনে সূচনাত বিনিৰ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত আৰু অনধিক ত্ৰিশ দিনৰ ভিতৰত দাখিল কৰিব লাগিব, আৰু তেনে অভিবেদনত নিম্ন-লিখিত বিৱৰণবোৰ থাকিব ---

(ক) মজুৰি মণ্ডলৰ সিদ্ধান্তত যদি আপত্তিৰ কিবা বিনিৰ্দিষ্ট আধাৰ থাকে, তেনে আপত্তিৰ বিনিৰ্দিষ্ট আধাৰ সমূহ,

(খ) নিয়োজকজনৰ সেই হাৰে মজুৰি দিবৰ সামৰ্থ্যৰ প্ৰতি বা আন এনে কোনো পৰিস্থিতিৰ প্ৰতি যিটোনেকি অভিবেদন জনোৱা ব্যক্তিজনে তেওঁৰ অভিবেদনৰ সম্বন্ধত প্ৰাসঙ্গিক হোৱা বুলি ভাবে সেই সকলোবোৰৰ প্ৰতি লক্ষ্য ৰাখি অভিবেদন জনোৱা ব্যক্তিজনৰ মতানুযায়ী যুক্তি সংগত হোৱা মজুৰিৰ হাৰবোৰ,

(গ) অভিবেদন জনোৱা ব্যক্তিজনৰ মতে মজুৰি মণ্ডলৰ সিদ্ধান্তৰ যিবোৰ পৰিৱৰ্তন বা সালসলনি কৰিব লাগে, তেনে কিবা কৰিবলগীয়া হলে, সেইবোৰ আৰু তাৰ কাৰণসমূহ।

(৩) সমিতিখনে পূৰ্বকথিত অভিবেদন সমূহ, যদি তেনে অভিবেদন থাকে, বিবেচনা কৰি চাব আৰু মজুৰিমণ্ডলৰ আগত উপস্থাপিত কৰা তথ্যসমূহ আৰু তৎকাললৈকে মজুৰি মণ্ডলটোৱে পোৱা বা এই অধিনিয়ম মতে উপলব্ধ কৰা ওপৰঞ্চি তথ্যসমূহ পৰীক্ষা কৰাৰ পিচত সমিতিখনে মজুৰি মণ্ডলৰ সিদ্ধান্তৰ সালসলনি কৰিয়েই হওক বা অন্যভাৱে হওক, যেনে উপযুক্ত বুলি ভাবে, কৰ্মৰত সাংবাদিকসকলৰ সম্বন্ধে তেনে মজুৰিৰ হাৰ নিৰ্দিষ্ট কৰি দিবৰ নিমিত্তে কেন্দ্ৰীয় চৰকাৰক তেনে চুপাৰিছ কৰিব; আৰু তেনেকুৱাকৈ কৰা যি কোনো চুপাৰিছ পূৰ্বৱৰ্তী কোনো তাৰিখৰ পৰাই হওক বা পৰৱৰ্তী কোনো তাৰিখৰ পৰাই হওক যি তাৰিখৰ পৰা মজুৰিৰ হাৰবোৰ কাৰ্যকৰী কৰিব লাগিব সেই তাৰিখটোও বিনিৰ্দিষ্ট কৰি দিব পাৰিব।

(৪) কেন্দ্ৰীয় চৰকাৰক যিকোনো চুপাৰিছ দাখিল কৰা কাৰ্যত সমিতি-খনে কৰ্মৰত সাংবাদিক অধিনিয়মখনৰ ৯ ধাৰাৰ (১) উপধাৰাত প্ৰদৰ্শিত সকলোবোৰ বিষয় বিবেচনা কৰি চাব লাগিব।

(৫) সমিতিখনে যদি উপযুক্ত বুলি ভাবে তেনেহলে বাতৰিকাকত প্ৰতিষ্ঠানবোৰৰ গোট বা শ্ৰেণীসমূহক আঞ্চলিক বৰ্গীকৰণৰ ভিত্তিতেই হওক বা আন কোনো ভিত্তিতেই হওক পৃথক পৃথক ভাবে বিবেচনাৰ বাবে হাতত লব পাৰে আৰু তেনে প্ৰত্যেক গোট বা শ্ৰেণীৰ সম্বন্ধত সময়ে সময়ে চুপাৰিছ দাখিল কৰিব পাৰে।

**সমিতিৰ ক্ষমতা সমূহ।** ৫। (১) ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ মতে স্থাপিত হোৱা কোনো ঔদ্যোগিক ন্যায়াধিকৰণলৈ প্ৰেৰিত কোনো ঔদ্যোগিক বিবাদৰ ন্যায় নিৰ্ণয় কৰিবৰ বাবে ন্যায়াধিকৰণে যিবোৰ ক্ষমতা প্ৰয়োগ কৰে তেনে সকলো বা যিকোনো ক্ষমতা সমিতিখনে (২) উপধাৰাটোৰ উপবন্ধবোৰৰ সাপেক্ষে প্ৰয়োগ কৰিব পাৰে আৰু এই অধিনিয়মত থকা উপবন্ধবোৰৰ সাপেক্ষে আৰু যদি তদধীনস্থ কোনো নিয়মাৱলী থাকে তেনেহলে সেই নিময়াৱলীৰ সাপেক্ষে স্বকীয় প্ৰক্ৰিয়া নিয়ন্ত্ৰিত কৰিবলৈ সমিতিখনৰ ক্ষমতা থাকিব। ১৯৪৭ চনৰ ১৪

(২) সমিতিখনৰ ওচৰত কৰা যিকোনো অভিবেদন আৰু সাক্ষ্য স্বৰূপে দিয়া যিকোনো দলিল-পত্ৰ, যথা বিহিত মাচুল দিলে, বিষয় বস্তুটোত স্বাৰ্থ সংশ্লিষ্ট যিকোনো ব্যক্তিৰ দ্বাৰা নিৰীক্ষণৰ নিমিত্তে মুকলি থাকিব।

(৩) কোনো তদন্তকাৰ্য চলি থাকোতে যদি এই বুলি প্ৰতীত হয় যে কোনো হিচাপ-পত্ৰ বা দলিল পৰীক্ষা কৰা বা কোনো ব্যক্তিৰ পৰা কোনো বিবৃতি লোৱা প্ৰয়োজন, তেন্তে সমিতিখনে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ কোনো পদাধিকাৰীক (যাক ইয়াৰ পিচত 'প্ৰাধিকৃত পদাধিকাৰী' বোলা হৈছে) প্ৰাধিকাৰ দিব পাৰে আৰু সেই প্ৰাধিকৃত পদাধিকাৰীজনে সমিতি-খনৰ নিৰ্দেশ সাপেক্ষে, সেই হিচাপ-পত্ৰ বা দলিলবোৰ পৰীক্ষা কৰিব বা সেই ব্যক্তিজনৰ পৰা বিবৃতি ল'ব।

(৪) প্ৰাধিকৃত পদাধিকাৰীজনে, সমিতিখনৰ নিৰ্দেশ থাকিলে সেই নিৰ্দেশবোৰৰ সাপেক্ষে ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ ৰ ১১ ধাৰাৰ (২) বা (৩) উপধাৰা মতে প্ৰয়োগ কৰিব পৰা ক্ষমতাবোৰৰ আটাইবোৰ বা যিকোনোটো প্ৰয়োগ কৰিব পাৰে। **১৯৪৭ চনৰ ১৪।**

(৫) ভাৰতীয় আয়কৰ অধিনিয়ম, ১৯২২ৰ ৫৪ ধাৰাৰ (১) উপধাৰাত থকা কোনো কথাই নাইবা কোনো কৰাৰোপণ সম্বন্ধে তৎকালীন বলবৎ থকা আন কোনো বিধিৰ তদনুৰূপ কোনো উপবন্ধত থকা কোনো কথাই কোনো এজন প্ৰাধিকৃত পদাধিকাৰীয়ে সমিতিখনত দিয়া কোনো প্ৰতি-বেদনত তেনে বিধিত উল্লেখ কৰা সবিশেষ বোৰৰ কোনোটো প্ৰকট কৰাৰ ক্ষেত্ৰত প্ৰয়োগ নহব। **১৯২২ চনৰ ১১**

(৬) কোনো এজন প্ৰাধিকৃত পদাধিকাৰীয়ে তেওঁৰ ক্ষমতাবোৰৰ যিকোনোটো প্ৰয়োগ কৰোতে পোৱা যিকোনো সংবাদ বা তেওঁ দিয়া যি কোনো প্ৰতিবেদন, এই অধিনিয়মখনত যিকোনো কথা থকা সত্ত্বেও, গোপনীয় বুলি বিবেচিত হব, কিন্তু এই উপধাৰাটোত থকা কোনো কথাই তেনে কোনো সংবাদ বা প্ৰতিবেদন এই অধিনিয়মখন কাৰ্যকৰী কৰা সম্বন্ধীয় কোনো বিষয়ত নাইবা কোনো ন্যায়ালয়ক প্ৰকট কৰাত প্ৰযোজ্য নহব ।

(৭) প্ৰাধিকৃত পদাধিকাৰীজন ভাৰতীয় দণ্ডসংহিতাৰ ২১ ধাৰাৰ অৰ্থৰ অন্তৰ্গত এজন "লোক সেৱক" বুলি গণ্য হ'ব। ১৮৬০ চনৰ ৪৫

**সমিতিখনৰ চুপাৰিছবোৰ বলবৎ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা।**

৬। (১) সমিতিখনৰ চুপাৰিছবোৰ পোৱাৰ পিচত, যিমান সোনকালে পাৰে, চুপাৰিছবোৰ অনুসৰি বা সেইবোৰত যদি কোনো সালসলনি কৰা চৰকাৰে উপযুক্ত বুলি ভাবে আৰু যিবোৰ সালসলনিয়ে কেন্দ্ৰীয় চৰকাৰৰ মতে চুপাৰিছবোৰৰ প্ৰকৃতিত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন নকৰে তেনে সালসলনি সহ কেন্দ্ৰীয় চৰকাৰে এটা আদেশ দিব।

(২) উপধাৰা (১)ত যি কোনো কথা থকা সত্ত্বেও, কেন্দ্ৰীয় চৰকাৰে উপযুক্ত বুলি ভাবিলে, ---

(ক) সালসলনিবোৰ (১) উপধাৰাত উল্লেখ কৰা বিধৰ সালসলনি নহলেও চুপাৰিছবোৰত যেনে উপযুক্ত বুলি ভাবে তেনে সালসলনি কৰিব পাৰে ঃ

পৰন্তু, তেনেকুৱা কোনো সালসলনি কৰাৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে তেনেবোৰ সালসলনিৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা সকলো ব্যক্তিক যথাবিহিত ৰূপে সূচনা দিয়াব লাগিব আৰু সেই মৰ্মে তেওঁলোকে লিখিতভাবে দিয়া অভিবেদনবোৰ বিবেচনা কৰিব, অথবা

(খ) সেই চুপাৰিছবোৰ বা তাৰ যিকোনো অংশ সমিতিখনলৈ নিৰ্দেশিত কৰিব আৰু তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সমিতিখনৰ ওপৰঞ্চি চুপাৰিছবোৰ বিবেচনা কৰি চাব আৰু চুপাৰিছবোৰ অনুসৰি অথবা চৰকাৰে উপযুক্ত বুলি ভবামতে (১) উপধাৰাটোত উল্লেখ কৰা চুপাৰিছবোৰৰ প্ৰকৃতিৰ সালসলনি সহ চৰকাৰে উপযুক্ত এটা আদেশ দিব।

(৩) কেন্দ্ৰীয় চৰকাৰে দিয়া প্ৰতিটো আদেশ তেনে আদেশ সম্বন্ধে দিয়া সমিতিৰ চুপাৰিছবোৰৰ সৈতে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰিব লাগিব আৰু সেই আদেশটো প্ৰকাশিত হোৱাৰ তাৰিখৰ পৰাই বা আদেশটোত যথা বিনিৰ্দিষ্ট তাৰিখৰ পৰা প্ৰবৰ্তিত হব—লাগিলে সেই তাৰিখ ভবিষ্যলক্ষীয়েই হওক বা ভূতলক্ষীয়েই হওক।

**কৰ্মৰত সাংবাদিক সকল আদেশটোত বিনিৰ্দিষ্ট মজুৰিৰ হাৰতকৈ কম নোহোৱা হাৰত মজুৰি পাবলৈ হকদাৰ হব।**

৭। ৬ ধাৰাত থকা উপবন্ধসমূহৰ সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে দিয়া কোনো আদেশ কাৰ্যকৰী হলে প্ৰতিটো কৰ্মৰত সাংবাদিকে তেওঁৰ নিয়োজকৰ পৰা এনে এটা হাৰে মজুৰি পাবলৈ হক দাৰ হব যিটোনেকি আদেশটোত বিনিৰ্দিষ্ট মজুৰিৰ হাৰতকৈ কোনো ক্ষেত্ৰত কম নহয়।

[১] ৮। [লোপ কৰা হৈছে]

---

১। ১৯৬২ চনৰ ৬৫নং অধিনিয়মৰ ১০ ধাৰাৰ দ্বাৰা লোপ কৰা হৈছে ।

কৰ্মৰত সাংবাদিক সকলৰ প্ৰাপ্য ধন আদায়।

৯। (১) যি ক্ষেত্ৰত এই অধিনিয়ম অনুসৰি কোনো এজন কৰ্মৰত সাংবাদিকে নিয়োজকৰ পৰা কোনো ধন ৰাশি পাবলগীয়া হয়, তেনে ক্ষেত্ৰত [১][কৰ্মৰত সাংবাদিকজনে নিজে বা সেই মৰ্মে তেওঁ লিখিত ভাবে প্ৰাধিকাৰ দিয়া আন কোনো ব্যক্তিয়ে আৰু সেই কৰ্মৰত সাংবাদিকজনৰ মৃত্যু হোৱা ক্ষেত্ৰত তেওঁৰ পৰিয়ালৰ যিকোনো ব্যক্তিয়ে] আন কোনো ধৰণে ধন খিনি আদায় কৰিবৰ অধিকাৰ ক্ষুণ্ণ নকৰাকৈ তেওঁৰ প্ৰাপ্য ধন আদায়ৰ নিমিত্তে ৰাজ্য চৰকাৰৰ ওচৰত আবেদন কৰিব পাৰে আৰু যদি ৰাজ্য চৰকাৰে বা ৰাজ্য চৰকাৰে এই উদ্দেশ্যে যথা বিনিৰ্দিষ্ট কৰি দিয়া প্ৰাধিকাৰীয়ে তেনে কোনো ধন প্ৰাপ্য থকা বুলি সন্তুষ্ট হয়, তেনেহলে ৰাজ্য চৰকাৰে বা সেই প্ৰাধিকাৰীয়ে সমাহৰ্তালৈ সেই পৰিমাণৰ ধন প্ৰাপ্য বুলি প্ৰমাণ পত্ৰ এখন প্ৰেৰণ কৰিব আৰু সমাহৰ্তাজনে ভূমিৰ ৰাজহৰ বাবদ বাকী থকা ধন যি ধৰণে আদায় কৰে সেই একেই ধৰণে সেই ধন আদায় কৰিবলৈ কাৰ্যবাহী কৰিব।

[২][(২) এই অধিনিয়ম মতে কোনো এজন কৰ্মৰত সাংবাদিকে নিয়োজকৰ পৰা তেওঁ পাবলগীয়া ধনৰ পৰিমাণৰ বিষয়ে যদি কোনো প্ৰশ্ন উত্থাপিত হয়, তেনেহলে ৰাজ্য চৰকাৰে স্বেচ্ছাই বা ৰাজ্য চৰকাৰৰ ওচৰত কৰা আবেদন ক্ৰমে, ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ অনুসৰি বা ঔদ্যোগিক বিবাদ বোৰৰ অনুসন্ধান আৰু নিষ্পত্তি কৰা সম্পৰ্কিত ৰাজ্য-খনত বলবৎ থকা আন কোনো তদনুৰূপ বিধি অনুসৰি ৰাজ্য চৰকাৰে গঠন কৰা কোনো এখন শ্ৰম ন্যায়ালয়লৈ প্ৰশ্নটো নিৰ্দেশিত কৰিব পাৰে আৰু সেই শ্ৰম ন্যায়ালয়ৰ সম্পৰ্কত উক্ত অধিনিয়ম বা বিধি এনেদৰে প্ৰভাৱী হব যেন এনেদৰে নিৰ্দেশিত প্ৰশ্নটো সেই অধিনিয়ম বা বিধিৰ অধীনত ন্যায়নিৰ্ণয়ৰ কাৰণে শ্ৰম ন্যায়ালয়লৈ নিৰ্দেশিত বিষয়।] ১৯৪৭ চনৰ ১৪

(৩) যি ৰাজ্য চৰকাৰে প্ৰশ্নটো নিৰ্দেশিত কৰে, শ্ৰম ন্যায়ালয়ে নিজৰ বিনিশ্চয়টো সেই ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব আৰু শ্ৰম ন্যায়ালয়ৰ দ্বাৰা যি ধনৰাশি দেয় বুলি ঠাৱৰ কৰা হয় সেই ধনৰাশি উপধাৰা (১)ত উপ-বন্ধিত ৰীতি অনুসৰি উচল কৰিব পাৰিব।

সমিতিখনৰ আদেশ, চিঠি আদিৰ অধিপ্ৰমাণীকৰণ।

১০। এই অধিনিয়মৰ অধীনত সমিতিখনে জাৰি কৰিবলগীয়া বা দিয়া আটাইবোৰ সূচনা, চিঠি, প্ৰাধিকৃতকৰণ, আদেশ বা আন আন দলিলপত্ৰ সমিতিৰ সভাপতি বা সচিবজনৰ দ্বাৰা নাইবা সেই মৰ্মে সমিতিয়ে প্ৰাধি-কৃত কৰা আন আন পদাধিকাৰীৰ দ্বাৰা অধিপ্ৰমাণিত কৰিব পাৰে আৰু তেনেদৰে অধিপ্ৰমাণীকৃত হোৱা কোনো সূচনা, চিঠি, প্ৰাধিকৃতকৰণ, আদেশ বা আন দলিলপত্ৰ সমিতিৰ দ্বাৰা যথাৰ্থৰূপে জাৰি কৰা বা দিয়া হৈছে বুলি ধাৰণা কৰা হব।

কৰ্মৰত সাংবাদিক সকলৰ ওপৰত অধিনিয়মখনৰ প্ৰভাৱ।

১১। (১)কৰ্মৰত সাংবাদিক অধিনিয়মৰ ধাৰা ৮, ১০, ১১, ১২ আৰু ১৩ সমিতিখনৰ সম্বন্ধত প্ৰভাৱী নহব।

(২) এই অধিনিয়মখনৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিচত কৰা কোনো অধি-নিৰ্ণয়, কৰাৰ বা সেৱা-সংবিদাৰ নিবন্ধন সমূহত এই অধিনিয়মৰ উপবন্ধ সমূহৰ লগত অসঙ্গত যি কোনো কথা থকা সত্ত্বেও এই অধিনিয়মৰ উপ-বন্ধসমূহ প্ৰভাৱী হব :

পৰন্তু, যি ক্ষেত্ৰত এনে কোনো অধিনিৰ্ণয়, কৰাৰ, সেৱা-সংবিদাৰ অধীনত বা অন্যথা কোনো এজন কৰ্মৰত সাংবাদিকে এনে কোনো বিষয়ৰ সম্বন্ধত এনে সুবিধালাভৰ হক্ দাৰ হয়, যিবোৰ সুবিধা এই অধিনিয়মৰ অধীনত পোৱা সুবিধাবোৰৰ তুলনাত তেওঁৰ পক্ষে অধিক অনুকূলজনক হয়, তেনে ক্ষেত্ৰত সেই কৰ্মৰত সাংবাদিক জনে আন আন বিষয়ৰ সম্বন্ধত এই অধিনিয়মৰ অধীনত সুবিধা লাভ কৰা সত্ত্বেও তেওঁ সেই বিষয়ৰ সম্বন্ধত তেওঁৰ পক্ষে অধিক অনুকূলজনক হোৱা সুবিধা লাভৰ হক্ দাৰ হৈয়েই থাকিব।

---

১। ১৯৬২ চনৰ ৬৫ নং অধিনিয়মৰ ১০ ধাৰাৰ দ্বাৰা 'কৰ্মৰত সাংবাদিক জনে পাৰে' এই শব্দ কেইটাৰ পৰিবৰ্তে প্ৰতিষ্ঠাপিত।

২। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা 'কৰ্মৰত সাংবাদিক জনে পাৰে' এই শব্দ কেইটাৰ পৰিবৰ্তে প্ৰতিষ্ঠাপিত।

(৩) এই অধিনিয়মখনত থকা কোনো কথাৰেই, কোনো এজন কৰ্ম-ৰত সাংবাদিকে কোনো এটা বিষয়ৰ সম্বন্ধত এই অধিনিয়মৰ অধীনত যিবোৰ অধিকাৰ বা বিশেষাধিকাৰৰ হক্‌দাৰ হব পাৰে সেইবোৰতকৈ তেওঁৰ পক্ষে অধিক অনুকূলজনক হোৱা তেনেবোৰ অধিকাৰ বা বিশেষাধিকাৰ দিয়াৰ নিমিত্তে কোনো এজন নিয়োজকৰ লগত চুক্তিবদ্ধ হোৱাৰ পৰা তেওঁক বিৰত কৰা হৈছে বুলি অৰ্থ নকৰিব।

পদাৰ্বত্তি আদিয়ে সমিতিখনৰ কাৰ্য্যবাহীবোৰ অবিধিমান্য নকৰিব।

১২। কেৱল মাথোন সমিতিখনৰ সদস্যসকলৰ মাজত কোনো পদৰিক্তি থকাৰ কাৰণে বা সমিতিখনৰ গঠনত কোনো ত্ৰুটি থকাৰ কাৰণেই সমিতিখনৰ কোনো কাৰ্য বা কাৰ্যবাহী অবিধিমান্য নহব।

দণ্ড।

[1][১২ ক] (১) এনে কোনো নিয়োজক যি ধাৰা ৭ৰ উপবন্ধবোৰৰ উলংঘন কৰে তেওঁ দুশ টকালৈকে হব পৰা অৰ্থদণ্ডৰে দণ্ডনীয় হব।

(২) যিয়েই (১) উপধাৰামতে কোনো এটা অপৰাধত দোষী সাব্যস্ত হৈ পুনঃ সেই উপধাৰাৰ অধীনত অপৰাধৰ বাবে দোষী সাব্যস্ত হয় তেওঁ পাঁচশ টকালৈকে হব পৰা অৰ্থদণ্ডৰে দণ্ডনীয় হ'ব।

(৩) যি ক্ষেত্ৰত কোনো এটা কোম্পানীৰ দ্বাৰা তেনে অপৰাধ কৰা হয়, তেনেক্ষেত্ৰত অপৰাধটো কৰাৰ সময়ত এনে প্ৰত্যেক ব্যক্তি যিয়েই কোম্পানীটোৰ কাম কাজ চলোৱাৰ নিমিত্তে কাৰ্য ভাৰ লৈছিল আৰু কোম্পানীটোৰ প্ৰতি উত্তৰদায়ী আছিল আৰু লগতে সেই কোম্পানীটোও তেনে অপৰাধৰ বাবে অপৰাধী হোৱা বুলি গণ্য কৰা হব আৰু তেওঁলোকৰ বিৰুদ্ধে কাৰ্যবাহীৰ বাবে আৰু তদনুসাৰে দণ্ডিত হবৰ বাবে তেওঁলোক দায়ী হব :

পৰন্তু, এই উপধাৰাটোত থকা কোনো কথাই তেনে কোনো ব্যক্তিক এই ধাৰাটোত উপবন্ধিত অনুসৰি দণ্ডিত হবৰ নিমিত্তে দায়িত্বাধীন নকৰিব যদি তেওঁ এই বুলি প্ৰমাণ কৰে যে তেওঁৰ অজ্ঞাতে অপৰাধটো কৰা হৈছিল বা তেনে অপৰাধ হোৱাটো নিবাৰণ কৰিবলৈ তেওঁ সম্যক তৎপৰতা অৱলম্বন কৰিছিল।

(৪) যি ক্ষেত্ৰত এই ধাৰাৰ অধীনত হোৱা কোনো অপৰাধ কোনো কোম্পানীৰ দ্বাৰা সংঘটিত হয় আৰু এইটো প্ৰমাণিত হয় যে অপৰাধটো কোম্পানীৰ কোনো সঞ্চালক, প্ৰবন্ধক, সচিব বা আন কোনো পদাধিকাৰীৰ সম্মতিক্ৰমে বা মৌনসম্মতিক্ৰমে সংঘটিত হৈছে অথবা তেওঁলোকৰ কোনো এজনৰ গুৰুতৰ অৱহেলাৰ ফলত হোৱা বুলি আৰোপ কৰিব পৰা গৈছে তেনে ক্ষেত্ৰত উপধাৰা (৩)ত যিকোনো কথা থকা সত্ত্বেও তেনেকুৱা সঞ্চালক, প্ৰবন্ধক, সচিব বা কোম্পানীটোৰ তেনে আন কোনো পদাধিকাৰীও তেনে অপৰাধৰ বাবে অপৰাধী হোৱা বুলি গণ্য কৰা হব আৰু তেওঁলোকৰ বিৰুদ্ধে কাৰ্যবাহী কৰিবৰ বাবে আৰু তদনুসাৰে দণ্ডিত হবৰ বাবে তেওঁলোক দায়ী হব।

(৫) এই ধাৰাটোৰ উদ্দেশ্যবোৰৰ বাবে ---

(ক) কোম্পানী অৰ্থে যি কোনো এটা নিগমিত নিকায়ক বুজাইছে আৰু কোনো ফাৰ্ম বা ব্যক্তিসমূহৰ কোনো সংস্থাক ইয়াৰ অন্তৰ্ভুক্ত কৰিছে;

(খ) কোনো এক ফাৰ্মৰ সম্পৰ্কত 'সঞ্চালক' অৰ্থে সেই ফাৰ্মৰ অংশীদাৰ এজনক বুজাইছে।

---

১। ১৯৬২ চনৰ ৬৫ নং অধিনিয়মৰ ১০ ধাৰাৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

১৩। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা এই অধিনিয়মখনৰ উদ্দেশ্যসমূহ কাৰ্যকৰী কৰিবৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষকৈ আৰু ওপৰত উল্লিখিত ক্ষমতাৰ সাৰ্বজনীনতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়বোৰৰ নিমিত্তে উপবন্ধ কৰিব পাৰে :—

(ক) এই অধিনিয়মৰ অধীনত দিয়া সূচনাবোৰ কি ৰীতিৰে প্ৰকাশ কৰিব পৰা যাব সেই ৰীতি;

(খ) এই অধিনিয়মৰ অধীনত দিয়া হোৱা ক্ষমতাবোৰ প্ৰয়োগ কৰোঁতে সমিতিখনে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া;

(গ) সমিতিখনৰ কোনো এজন সদস্যক প্ৰত্যোযোজিত কৰিব পৰা সমিতিৰ ক্ষমতা আৰু কৃত্যসমূহ;

(ঘ) সমিতিখনৰ ওচৰত দাখিল কৰা দলিল-পত্ৰবোৰ নিৰীক্ষণ কৰিবৰ বাবে দিবলগীয়া মাচুল।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যিমান সোনকালে সম্ভৱ হয়, অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সম্মুখত উপস্থাপন কৰিব লাগিব, আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰবৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়ম ক্ষেত্ৰবিশেষে এনে সালসলনিৰ আকাৰত প্ৰভাৱী হব বা একেবাৰে প্ৰভাৱী নহব; সেয়ে হলেও এনে সালসলনি বা ৰদ কৰণে সেই নিয়মৰ অধীনত পূৰ্বে কৃত কোনো কাৰ্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলাব।

[১] ১৪। [লোপ কৰা হৈছে]

---

১। ১৯৬০ চনৰ ৫৮ নং অধিনিয়মৰ ২ ধাৰা আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে।

—0X0—

## The Working Journalists (Fixation of Rates of Wages) Act, 1958

## কৰ্মৰত সাংবাদিক (মজুৰিৰ হাৰ স্থিৰীকৰণ) অধিনিয়ম, ১৯৫৮

| **Reference** | **English Term.** | **Assamese equivalent.** |
|---|---|---|
| Short title | Working Journalist | কৰ্মৰত সাংবাদিক |
| See 2 | Definition | পৰিভাষা |
| 2 (c) | Wage Board | মজুৰি মণ্ডল |
| 3 (2) | Vacancy | ৰিক্তি |
| 3 (4) | Assign | ন্যস্ত কৰা |
| 3 (4) | Delegate | প্ৰত্যায়োজিত কৰা |
| 3(4) & 4 | Function | কৃত্য |
| 4(1) | Representation | অভিবেদন |
| 4(2) | Notice | সূচনা |
| 4 (3) | Modification | সালসলনি |
| 4(3) | Alteration | পৰিৱৰ্তন |
| 5 (5) | Disclosure | প্ৰকটকৰণ |
| 6(3) | Specify | বিনিৰ্দিষ্ট কৰা |
| 9 | Application | আবেদন |
| 11 (2) | Award | অধিনিৰ্ণয় |
| 12A (3) Prov. | Due diligence | সম্যক তৎপৰতা |
| 13 (2) (d) | Documents | দলিল |